# আমজোংগাস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ত আলোচনাচক্ৰ

অগ্ৰদূত বাৰ্তা

মাটিয়া, ২০ এপ্ৰিল ঃ গোৱালপাৰা জিলাৰ আমজোংগাস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ উদ্যোগত তথা গুৱাহাটীৰ ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ৰ সহযোগত যোৱা ১১ এপ্ৰিলত নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি সন্দৰ্ভত এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। আমজোংগাস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ত অনুষ্ঠিত আলোচনাচক্ৰত আঁত ধৰে মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° সুদীপ্তা ফুকনে। আলোচনাচক্ৰৰ উদ্দেশ্যে ব্যাখ্যা কৰি অধ্যক্ষ ড° নৰজ্যোতি শৰ্মাই নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ কাৰ্যকাৰিতা সম্পৰ্কে বক্তব্য দাঙি ধৰে।